

# গদ্যশিল্পী ড° ভূপেন হাজৰিকা

সম্পাদনা ঃ ড° প্ৰাপ্তি ঠাকুৰ

মামণি ৰয়ছম গোস্বামীৰ উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত... ২২১
দেৱজিৎ দত্ত

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ বিষয়সাৰ ঃ এটি আলোচনা ২৩০
দিগন্ত ভৰালী

মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' আৰু 'দঁতাল হাতীৰ উঁয়ে... ২৪০
প্ৰতীম শইকীয়া
জুৰী বৰুৱা
সমীৰণ শইকীয়া

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত শ্ৰমিক সমাজ ঃ এক বিশ্লেষণাত্মক... ২৫৩
পাপৰি বৰা

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আৰু... ২৬১
যুগলজ্যোতি বৰা
ছেৱাৰী শৰ্মা

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত সমাজ জীৱনৰ চিত্ৰ ঃ এটি সমীক্ষা ২৬৯
জোনটি দুৱৰা

মামণি ৰয়ছম গোস্বামীৰ চুটিগল্প ঃ 'সংস্কাৰ' আৰু 'উদং বাকচ'... ২৭৭
সঞ্জীৱ কুমাৰ বৰা
লাৱণ্য বৰা

মামণি ৰয়ছম গোস্বামীৰ গল্পত সমাজ জীৱনৰ চিত্ৰ ২৮৭
মালামণি গোস্বামী শৰ্মা

মামণি ৰয়ছম গোস্বামীৰ গল্পত প্ৰকাশিত পুৰুষ চৰিত্ৰ — এক বিশ্লেষণ ৩০১
নয়নজ্যোতি ভূএগ

মামণি ৰয়ছম গোস্বামীৰ 'উদং বাকচ' ঃ এটি চমু আলোচনা ৩০৯
দীপাৱাণী বৰুৱা
বিমান আৰন্ধৰা

মামণি ৰয়ছম গোস্বামীৰ গল্পত নাৰী চৰিত্ৰ ৩১৬
ডেইজী বুঢ়াগোহাঁই

মামণি ৰয়ছম গোস্বামীৰ 'উদং বাকচ' গল্পত প্ৰতিফলিত নাৰী মনস্তত্ত্ব... ৩২১
পাঞ্চুৰিকা শইকীয়া

❑ ড° ভূপেন হাজৰিকা আৰু চলচ্চিত্ৰ প্ৰসংগ
— যতীন্দ্ৰ শইকীয়া ৪০৮

❑ ভূপেন হাজৰিকাৰ ৰাজনৈতিক চিন্তন আৰু বিশ্লেষণ ঃ এক চমু দৃষ্টিকোণ
— মনোজ কুমাৰ শইকীয়া ৪১৫

❑ ভূপেন হাজৰিকাৰ সাহিত্য সম্পৰ্কীয় গদ্য ঃ এক সমীক্ষাত্মক অধ্যয়ন
— তাম্ৰপালি ৰাজকোঁৱৰ ৪২৯

❑ ভূপেন হাজৰিকাৰ সাহিত্যকৃতি
— ড° অজন্তা দাস ৪৫১

❑ ড° ভূপেন হাজৰিকাৰ গদ্যত খাদ্যৰ জুতি
— দীপালি বেজবৰুৱা ৪৬১

❑ গদ্যত প্ৰকাশিত ড° ভূপেন হাজৰিকা ব্যক্তিজন
— লক্ষণা দত্ত ৪৭৩

❑ ড° ভূপেন হাজৰিকাৰ গদ্যত বিহু আৰু ব'হাগ
— আবেদুল চুলতান ৪৮৪

❑ ড° ভূপেন হাজৰিকাৰ দৃষ্টিত সংস্কৃতি আৰু অসমীয়া সংস্কৃতি
— দীপাৰাণী বৰুৱা ৪৯৪

❑ ভূপেন হাজৰিকাৰ গদ্যত প্ৰকৃতি চিত্ৰণ
— ড° নিৰ্মালী দাস ৫০২

❑ ধৰাৰ দিহিঙে-দিপাঙে ড° ভূপেন হাজৰিকা
— ড° প্ৰাপ্তি ঠাকুৰ ৫০৮

❑ ভূপেন্দ্ৰ গদ্যৰ কাব্যিকতা
— ড° কল্পনা তালুকদাৰ ৫৩১

❑ বিজ্ঞানমনস্কতা আৰু ভূপেন হাজৰিকাৰ গদ্য
— ড° অদিতি বেজবৰুৱা

# ড° ভূপেন হাজৰিকাৰ দৃষ্টিত সংস্কৃতি আৰু অসমীয়া সংস্কৃতি

দীপাৰাণী বৰুৱা

সংস্কৃতি জাতিৰ প্ৰাণ স্পন্দন। সংস্কৃতি অবিহনে সমগ্ৰ মানৱ সভ্যতাই স্থবিৰ হৈ পৰিব। সংস্কৃতৰ 'সংস্কাৰ' শব্দৰ পৰা সংস্কৃত শব্দৰ উদ্ভৱ হৈছে। ইংৰাজীত ইয়াৰ প্ৰতিশব্দ culture. প্ৰাচ্য আৰু পাশ্চাত্যৰ বহুতো বিশিষ্ট সমালোচকে সংস্কৃতিৰ সংজ্ঞা দিবলৈ যত্ন কৰা দেখা যায়। তেওঁলোকৰ কিছুমানৰ মতে সংস্কৃতি সামাজিক সৌন্দৰ্য আৰু বৌদ্ধিক পৰমোৎকৰ্ষ (Intellectual excellence) মেথিউ আৰ্ণল্ডৰ মতে 'মাধুৰ্য আৰু আলোকেই সংস্কৃতি।' মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশকেই দাৰ্শনিক কাছিৰাৰ, সমাজ বিজ্ঞানী চৰকিন আৰু মেক্লভাৰে সংস্কৃতি বুলি মত পোষণ কৰিছে। দাৰ্শনিক আৰু নৃতত্ত্ববিদ ডেভিদ বিন্দিয়ে "কোনো এক ভৌগোলিক পৰিবেশৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনেই সংস্কৃতি" বুলি কৈছে। বৃটিছ নৃতত্ত্ববিদ এডৱাৰ্ড বাৰ্ণেট টাইলাৰে সংস্কৃতিৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে, "সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ- ব্যৱহাৰ, উৎসৱ- অনুষ্ঠান, আইন- কানুন, নৈতিকতা, অভ্যাস আৰু অনান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" সংস্কৃতি সম্পৰ্কীয় আধুনিক আৰু সৰ্বজনগ্ৰাহ্য সংজ্ঞাটো হ'লঃ "সংস্কৃতি কিছুমান নিয়মৰ সংযুতি অথবা পৰিমাপক, এইবোৰে কোনো এখন সমাজৰ অংগীভূত ব্যক্তিসকলৰ বাবে উপযুক্ত আৰু গ্ৰহণযোগ্য বিভিন্ন আচৰণৰ জন্ম হয়। এই আচৰণৰ সমষ্টিয়েই সংস্কৃতি।" সংজ্ঞাটো দাঙি ধৰিছে নৃতত্ত্ববিদ উইলিয়াম এ. হেভিলেণ্ডে।

প্ৰতিজন সংস্কৃতিসেৱক তথা সমালোচকেই সংস্কৃতি সম্পৰ্কে এটা নিজস্ব দৃষ্টিভংগী পোষণ কৰি ৰাখে। আমাৰ আলোচনাৰ উদ্দেশ্য হ'ল